Shri Mahendra Mohan Choudhury, (Minister, Revenue, Forests etc.) Sir, some new facts have been brought to our notice by Mr. Barua today, regarding ougurijan Tea Estate. Some encroachments have been going on in the Nagaland border and in certain areas Naga villagers with the help of Nagaland police have started construction of some houses and Check-posts. We have already brought all these things to the notice of the Government of India. When we last visited New Delhi in connection with National Council, we got an opportunity for discussing this matter with the Prime Minister. Unfortunately, the home Minister was out from the Capital at that time and we could not meet him. A memorandum was placed before the Prime Minister here yesterday regarding inter-State boundary dispute with the Nagaland Government along with other matters.

But yesterday, there was a heavy programme and the time at the disposal of the Prime Minister was so limited that we could not discuss the matter in detail. The Prime Minister, however, assured us that she would study the matter and do whatever necessary could be done. We hope that very soon the Government of India will give a definte decision of the matter. What else can we do? We are a constituent part of India and in the matter of inter-State dispute, it is the Government of India who can settle the issue. It is very difficult on our part to decide from our side. We are to wait for the decision of the Government of India. I have also discussed with the Prime Minister about deploying C.R.P. personnel by the Nagaland police force for establishing some Check-posts and constructing some houses. The Prime Minister assured me that the C.R.P. would be withdrawn from there. Regarding actual development, I will make necessary enquiry and apprise the house all about it.

Shri Dulal Chandra Barua—Sir, is it a fact that while our police force from the border area was withdrawn in connection with the celebration of Meghalaya, some areas at Debrapara were occupied by the Naga people? If so, what action is going to take by the Government? Should we wait for the decision of the Government of India? Will the Government of Assam sit tight and do nothing for protection of life and property of the people living in the border area and allowing the Naga people to commit attrocities on our people?

Shri Mahendra Mohan Choudhury—I do not know actually what sort of development has taken place yesterday. If

it is so, what is to be done in the matter is a question. We are trying our best to come to a decision. We have requested the Government of India times withour number that Nagaland Government be asked to honour the inter-state boundary and to refrain from committing agressive action against Assam. I quite appreciate the anxiety expressed by Mr. Barua, but as a constituent part of India, we cannot do anything without the approval of the Government of India and we are to wait for their decision in the matter of boundary dispute between two States. If we order for firing from our side, more serious matter will develop. On the other hand for protection of life and property of our people, we will have to do something. As a more powerful State, we are trying our best to see how the matter can be amicably settled and how the encroachers of our territory be driven out from our State.

Re : Water Scarcity at Mangaldoi.

Shri Hiralal Patwary— অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা গুৰুত্বপূৰ্ণ কথাৰ বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ চৰকাৰে জানে মঙ্গলদৈ মহকুমাৰ কৰিখোলা অঞ্চলত চৰকাৰে বহুটো Development Area ঘোষণা কৰিছে। এই Development Area বিলাক ঘোষণা কৰি তাত পানীৰ অৱস্থা উন্নত কৰিবলৈ বিচাৰিছে। মই আজি এখন টেলিগ্ৰাম পাইছো যে তাত পানীৰ অভাৱত মানুহৰ জীৱন যোৱাৰ উপক্ৰম হৈছে। তেওঁলোকে ৫/৬ মাইল দূৰৰ পৰা পানী আনিবলগীয়া হৈছে । সেই গোটেই অঞ্চলটোৱেই পানীৰ কাৰণে হাহাকাৰত পৰিছে। তাত চৰকাৰে কিছুমান আচঁনি কৰিছিল যোৱা বছৰতে। পানীৰ ব্যৱস্থা উন্নত কৰাৰ কাৰণে। এই বিলাক কৰাত আমাৰ আপত্তি নাই। কিন্তু অতি শুন-কালে এই আচঁনি বিলাক কাৰ্য্যকৰী কৰিব লাগে।

গতিকে এই গোটেই অঞ্চলটোতে পানীৰ কাৰণে ভাল সুবিধা নাই। আমি ভাবো তাত ভাল Scheme কৰি এই মানুহখিনিয়ে যেন পানী পায় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিবলৈ আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Shri Mahendra Mohan Choudhury (Minister, Revenue & Forest)—Sir, the scarcity of water is known to the Government. The area has been opened up recently. All through, This problem is engaging the attention of the Government. A survey has been going on and as soon as the survey is complete, a project for adequate supply of water may be taken up. As the hon. Member Shri Patwary has said, since the Gaon Panchayat is willing to undertake the responsibility of maintaining the water works project, it may not be difficult to take it-up. Surely it will be in the fitness of things if the project fructifies as early as possible.

Re. : Calling Attention to A Matter of Urgent Public Importance Export of 73,000 tons of rice from Assam to Centre.

Mr. Speaker—Item No.2—Shri Govinda Kalita.

Shri Govinda Kalita—Sir, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to call the attention of the Minister of Supply to the news item appearing in Asom Bani dated the 6th March, 1970 under the caption "কেন্দ্ৰলৈ অসমৰ ৭৩ হাজাৰ টন চাউল যাব।"

Shri Ramesh Chandra Barooah—Mr. Speaker, Sir, with reference to the call attention motion by Shri Govinda Kalita, M.L.A., I place the following facts before the House.

The offer of about 73,000 tons of rice to the Central Pool relates to different periods in 1969. The offer was made in three transactions. But these offers were preceded by the Cabinet decision on 26th April, 1969. The Cabinet decided that about 2 lakh quintols paddy could be immediately offered for the Central Pool.

The reason for such an offer has been indicated in the news item itself. As is stated therein, about 10 lakh quintols of the procured stock were in the godowns. This had been hampering further procurement as all the available godown space was blocked. On the other hand, because of a good harvest the ruling prices in the local market were quite low. Plenty of supply was also available in the open market. Thus, very little of the procured stock could be disposed of in the local market through Government Fair Price Shops. It was, therefore, felt very necessary to release godown space in the interest of further procurement. The only way out was to feed the Central Pool. An additional and important consideration in favour of this decision was the prospects of substantial benefit for the state through the bonus of the Rs. 4.75 paise per quintol offered by the Centre.

It was in this bakground that the Cabinet decision was taken on 26.4.69. In pursuance of that decision, the first offer for 16,640 M. tonnes Sali rice was made to the Central Pool on the 19th May, 1969; the second offer for 6,000 Metric tonnes Ahu rice was made on the 19th August, 1969; the third offer for 51,000 Metric tonnes Sali rice was made on the 4th September, 1969.

Thus the total offer made was for 73,640 Metric tonnes,

out of which the Centre accepted 15,837 metric tonnes from the offer of 19.5.69 and 51,000 Metric tonnes from the offer of 4.9.69 totalling 66,837 Metric tonnes. That is to say, from the first offer 753 metric tonnes were not accepted Acceptance about the balance was intimated to us by the Government of India in the month of June, 1969. The second offer of 6,000 metric tonnes made on 19.8.69. The Centre did not appear to be interested in the offer. This quantity was in the shape of Ahu parboiled rice. The third offer of 51,000 metric tonnes made on 4.9.69 was accepted by the Government of India and acceptance was intimated to us on the 23rd October, 1969.

The Cabinet in its meetings on the 30th and 31st October, 1969 took note of the fact that about 74,000 Metric tonnes had been offered to the Central Government from the existing stock. The Centre had agreed in principle to take the offered quantity but the Cabinet noted with concern that there was no certainty as to when the actual takeover would be effected. Till that date, actually not a single grain had been lifted. The Secretary, Supply also had pointed out that fact in a note on 30th October, 1969 sent to the Liason Commissioner for the Government of Assam in New Delhi. The Cabinet noted that the situation arising out of the stalemate needs to be eased urgently because of the following facts :-

(1) Without actual take over, the money of the Apex Bank would continue to be blocked;

(2) If the stocks were not taken out of the State, there would be little or no godown space left to take

in more paddy and rice which would come in the new procurement season.

(3) If stocks did not get an outlet in the shape of immediate lifiting by the F.C.I on behalf of the Govt. of India it would affect procurement operation for the incoming season.

(4) If the scope of procurement is thus restricted, the result would be a shape downward trend in prices for the main Sali crop which would affect adversely the economy of the bulk of the population and also would entail political and social consequences of a big magnitude.

It may be mentioned that initially there were some disagreements with the Centre regarding the pattern of costing for rice. But this was resolved and the F.C.I. was repeatedly requested and pressed to lift the quantity or part of the quantity already accepted by the Centre.

Out of the accepted quantity of 66,887 metric tonnes the F.C.I. have exported to different States, viz: West Bengal, Kerala, Tripura, Gujarat and Nagaland, about 20,000 metric tonnes till date. The figure till the end of January, 1970 was about 13,000 metric tonnes. During February, 1970 and March, 1970 approximately 7,000 metric tonnes have been lifted.

Dr. Bhupen Hazarika— Sir, on a point of clarification. It has been said by the hon. Minister that there was surplus rice and so it was possible to send 73,000 tonnes to some other States. But in the Governor's address it has been stated that "Food-grains production attained a record

level of 21.97 lakh tonnes in 1968-69, as compared to 19.71 lakh tonnes in 1967 68. Unfortunately there has been a set-back in 1969–70 due to bad weather affecting Sali paddy.'' Does the statement of the hon. Minister go well with the Governor's address ?

Shri Ramesh Chandra Barooah— The background must be noted. We offered the rice in may, 1969 and at that time Assam's position was perfectly alright. The open market was full and the godowns were also full. On account of these being no demand from fair price shops, we could not lift anything. In that background the rice was offered.

## Debate on the Governor's Address

Shri Hiralal Patwary—Sir, if time permits, the name of Shri Hazarika may be included in the list of speakers today.

Mr. Speaker—আগতে নামটো নিদিলে কিয় ?

Shri Hiralal Patwary—মোৰ নামটো দিয়া হৈছে ছাৰ।

Mr. Speaker—তেনেহলে কৰলৈ পাৰ। এতিয়া মই শ্ৰীনকুল দাসক কবলৈ অনুৰোধ কৰিলোঁ।

Shri Nakul Chandra Das - মাননীয় অধ্যক্ষ মহোদয়, দেশৰ বৰ্ত্তমান ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ পট্ভূমিত আমাৰ ৰাজ্যপাল শ্ৰীনেহেৰুৱে আমাৰ এই বিধান সভাৰ অধিবেশন উদ্বোধন কৰি দিয়া ভাষণৰ প্ৰতি মই সন্মতি প্ৰকাশ কৰিছোঁ— । তেখেতৰ ভাষণটো হৈছে পূৱ প্ৰান্তৰ সমস্যা-বহুল ৰাজ্য বিশেষকৈ অসমৰ সকলো জটিল সমস্যাৰ সম্যক পৰ্য্যালোচনা কৰাটোৱেই নহয়, তেখেতৰ ভাষণত যিখিনি সমস্যাৰ কথা উল্লেখ কৰিছে, এইসকলো বিলাক সমস্যা আমাৰ সদনত গভীৰভাবে বিবেচনা কৰাটো উচিত।

অধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ সকলোৰে জনা আছে যে প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে অসমৰ বুকুতে এখন নতুন ৰাজ্য "মেঘালয়া" উদ্বোধন কৰিলে। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত পোন প্ৰথম বাৰৰ বাবে এই মেঘালয়ৰ কথা উল্লেখ কৰাটো সমীচিন হৈছে আৰু "মেঘালয়া" ৰাজ্য কেনেকৈ অসমৰ বুকুত সৃষ্টি হবলৈ পালে, তাক আজি সদনে বিবেচনা কৰাউচিত আৰু তাৰ বুৰঞ্জী উৎঘাটন কৰি আশ্বাসৰ সৃষ্টি কৰা উচিত।

কালি আমাৰ ৰাজহমন্ত্ৰী শ্ৰীচৌধুৰী ডাঙৰীয়াই অসম আৰু অসমীয়া ৰাইজৰ হৈ যি সহাৰি দেখুৱালে তাত সকলোৱে একোটা আশ্বাস পালে আৰু তেখেতক সাদৰেৰে সন্মতি জনালে।

উপাধ্যক্ষ মহোদয়, এই প্ৰসঙ্গতে মই মিকিৰ পাহাৰ, উত্তৰ কাছাৰৰ জনজাতীয় ৰাইজক আমাৰ ৰাইজৰ তৰফৰ পৰা আন্তৰিকতাপূৰ্ণ সম্বৰ্দ্ধনা জনাইছো যাতে আগৰদৰে আমাৰ সম্বন্ধটো অব্যাহত থাকে। আমি দৃঢ়-সংকল্পবদ্ধ হব লাগিব যাতে আমাৰ লগত এই দুই ঠাইৰ ৰাইজৰে যিটো সম্বন্ধ সেইটো আমাৰ বুৰঞ্জীত চিৰ যুগমীয়া হৈ থাকিব পাৰে। এই দুয়োখন পাহাৰীয়া জিলাৰ ৰাইজে যাতে আমাৰ ৰাইজৰ লগত মিলি প্ৰগতিৰ পথত-ক্ষীপ্ৰ গতিৰে আগবাঢ়ি যাব পাৰে তাৰ কাৰণে আন্তৰিকতাৰে কামনা কৰো।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ গুৰুত্তৰ সমস্যাবিলাক যেনে—ভূমিসংস্কাৰ, অৰ্থনৈতিক সমস্যা, নিবনুৱা সমস্যা আদি সমস্যা বিলাকৰ সমাধান কল্পে চৰকাৰে যিবোৰ ব্যৱস্থা হাতত লৈছে— সেইবোৰেই এই সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত যথেষ্ঠ নহয়। এই সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ লগত সকলো দলৰে সহযোগিতাৰ একান্ত প্ৰয়োজন। নিবনুৱা সমস্যাৰ ক্ষেত্ৰত অকল যে শিক্ষিত নিবনুৱাই আছে এনে নহয়; আমাৰ গাৱে-ভূঁঞে অৰ্থ-শিক্ষিত নিবনুৱাও বহুত আছে। সেইবোৰৰ কাৰণেও চৰকাৰে বিশেষ ভাৱে চিন্তা কৰিব লাগিব। কৃষি আৰু উদ্যোগ— এই দুয়োক্ষেত্ৰতে সমানে আগবাঢ়িব লাগিব। কৃষি সমস্যা সমাধান কৰিবলৈ চৰকাৰে প্ৰকৃত মাটিহীনক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। উদ্যোগৰ উন্নতি কল্পে গাৱেঁ ভূঞেঁ সৰু সৰু উদ্যোগ গঢ়ি দিলে নিবনুৱা সকলক নিয়োগ কৰাত যথেষ্ঠ সুবিধা হব। দেশত যদি আমি প্ৰকৃত বাস্তৱমুখী পৰিকল্পনাৰে পৰিকল্পনা কৰিব নোৱাৰো তেতিয়া হ'লে— নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত কৰিব যে সহায় হব তাত সন্দেহৰ অৱকাশ

নোহোৱা নহয়। জনমুৰি আয় বঢ়াবলৈ হলে আমাৰ গাৱেঁ-ভূঞে সৰু সৰু উদ্যোগ গঢ়ি তুলিবলৈ পোন-পটীয়া চেষ্টা কৰিব লাগিব।

বৰ্ত্তমান আমাৰ ঘাই সমস্যাটো হৈছে ভূমি সংস্কাৰৰ সমস্যা। এই অধিৱেশনতেই আমাৰ চৰকাৰে ভূমি সংস্কাৰৰ ক্ষেত্ৰত প্ৰগতিশীল দৃষ্টি ভঙ্গীৰে যিটো আঁচনি গঢ়ি তুলিছে সি সচাঁকৈয়ে প্ৰণিধান যোগ্য। আমাৰ চৰকাৰে ভূমিহীন খেতিয়কক মাটি দিবলৈ চাহবাগিচাৰ বহুতো পতিত মাটি অধি-গ্ৰহণ কৰাটো সচাঁকৈয়ে—সন্তোষৰ কথা। এই সংক্ৰান্তত চৰকাৰে মণ্ডল কাননগুৰ Report ও বিচাবিছে—ভূমিহীন লোকৰ। এই ক্ষেত্ৰত আমাৰ মাননীয় ৰাজহমন্ত্ৰীৰ দৃঢ়-নীতি সচাঁকৈয়ে প্ৰশংসনীয়। ভূমিসংস্কাৰৰ ক্ষেত্ৰত যাতে দুখীয়া-নিচলা বানবিধ্বস্ত নিষ্পেক্ষিত লোকসকলে যাতে মাটি পায় তাৰ কাৰণে এই চৰকাৰে বিশেষ লক্ষ্য ৰাখিব বুলি অনুৰোধ জনালো।

তাৰ পিছত অধ্যক্ষ মহোদয়, এটা অতি দুখৰ বিষয় যে একচনীয়া মাটি পট্টা কৰিবলৈ আগৰ ৫ টকাৰ ঠাইত এতিয়া বিঘাই প্ৰতি ৫০ টকা কৰিলে তাৰ ফলত প্ৰথম বলি হব আমাৰ দুখীয়া-নিচলা, নিষ্পেক্ষিত মাটিহীন কৃষক সকলহে। যিক্ষেত্ৰত আজি আমাৰ দুখীয়া খেতিয়ক সকলে এটকা মাত্ৰ খাজনা কৰিবলৈ মূৰ ঘমাব লাগে তেনেক্ষেত্ৰত একচনীয়া মাটি ম্যাদি কৰাৰক্ষেত্ৰত এই চৰকাৰৰ এই নীতি দুখীয়া ৰাইজৰ কেতিয়াও গ্ৰহণ যোগ্য হব নোৱাৰে। ৰাইজৰ এই সূচনীয় আৰ্থিক অৱস্থাত চৰকাৰৰ এনে ব্যৱস্থাই প্ৰত্যাহাৰ কৰিবলৈ মই কৃতাঞ্জলি পূৰ্ব্বক অনুৰোধ জনাইছো। অন্তত: ২০ বিঘাৰ ভিতৰত মাটি থকা মানুহবোৰৰ ওপৰত এই বোজা জাপি দিব নেলাগে। যদি কাৰোবাৰ ২০ বিঘাতকৈ বেছি মাটি থাকে, তেন্তে তাৰ ওপৰত চৰকাৰে এটা নিৰ্দ্দিষ্ট হাৰত কৰ লগাব পাৰে। সীমান্তৱৰ্ত্তী ৰাজ্য হিচাবে আমাৰ এই ৰাজ্য খনত আইন-শৃঙ্খলাৰ পৰিস্থিতিৰো যথেষ্ঠ অৱনতি ঘটিছে। ফলত পশ্চিমবঙ্গ, বিহাৰ, উৰিষ্যা আদি অন্যান্য ৰাজ্যৰ দৰে আমাৰ ৰাজ্যতো পশ্চাৎ ঘাটী কাৰ্য্য কলাপ ক্ৰমাত বৃদ্ধি পাই আহিছে। গতিকে সময় থাকোতেই যদি আভ্যন্তৰীণ ক্ষেত্ৰত চৰকাৰে সতৰ্কতাৰে ব্যৱস্থা গ্ৰহণ নকৰে—তেনেহলে-অদূৰ ভৱিষ্যতে আমাৰ ৰাজ্যত অতি অমঙ্গলীয়া পৰিবেশ সৃষ্টিৰ আশংকা একে-বাৰেই নোহোৱা নহয়। যোৱা চীন পাকিস্থানৰ আক্ৰমণৰ সময়ত লাটি-টিলা, ডুমাবাৰী আৰু টুকেৰ গ্ৰামৰ ঘটনাই আমাৰ ৰাজ্যৰ প্ৰতি সেই দেশ দুখনৰ লোলুপ দৃষ্টিৰ কথাকে সোঁৱৰাই আছে আৰু ৰাজ্যপালৰ ভাষণতো

ইয়াৰ উল্লেখ থকাটো সচাঁকৈয়ে শলাগৰ বিষয়। গতিকে অতীতৰ অভিজ্ঞতাৰে সতৰ্ক হৈ যদি আমি দৃঢ় ভূমিকা গ্ৰহণ কৰিব নোৱাৰো তেনেহলে অনাগত ভৱিষ্যতৰ যিকোনো মুহূৰ্ত্ততে কেনে পৰিস্থিতিৰ উদ্ভৱ হব পাৰে সি সহজেই অনুমেয়। গতিকে আইন শৃঙ্খলাৰ পৰিবেশ উন্নতি কৰি জনসাধাৰণৰ মাজত সংহতি আৰু ৰাজ্যখনৰ অক্ষুন্নতা ৰক্ষা কৰিবলৈ সময় থাকোতেই সতৰ্কতা দৃষ্টি অৱলম্বন কৰাটো নিতান্তই বাঞ্ছনীয়।

বৰ্ত্তমানৰ আমাৰ জনসাধাৰনক শোকাৰাহ অৰ্থনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যদি আমি বহুমুখী আচঁনি গ্ৰহণ কৰিব নোৱাৰো তেন্তে অৰ্থনৈতিক জীৱনত জনসাধাৰণৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত আমি কোনো ইন্ধন যোগাব নোৱাৰিম। গতিকে পূৰ্ব্বে পৰিকল্পনা সমূহত জনসাধাৰণৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত বিভিন্ন দিশত আধৰুৱা দিশ বিলাকৰ যাতে আমি ভৱিষ্যতৰ পৰিকল্পনাত বাস্তৱ ৰূপ দিব পাৰো তাকে চৰকাৰৰ ওচৰত নিবেদন কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ পাছত মই মিজোপাহাৰ জিলা আৰু নগাপাহাৰৰ সীমান্তৰ কথা অলপ কব খুজিছো। নগা পাহাৰৰ সীমান্তত যিবিলাক ঘটনা ঘটিছে এই বিষয়ে মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাদেৱে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই সীমান্ত বৰ্ত্তী লোক সকলৰ নিৰাপত্তাৰ বাবে চৰকাৰে যদি কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে তেনেহলে আমাৰ এই দুৰ্ব্বলতাৰ সুযোগ লৈ কিছুমান অনিষ্টকাৰী শক্তিয়ে আমাৰ অপকাৰ কৰিব। মিজো-পাহাৰ জিলাৰ পৰা অনেক লোক পাকিস্থানলৈ যাব লাগিছে। গতিকে চৰকাৰে এই মিজো বিদ্ৰোহী সকলৰ ক্ষেত্ৰত সতৰ্কমূলক ব্যৱস্থা অৱলম্বন কৰা উচিত।

উপাধ্যক্ষ মহোদয়, লগতে এটা কথা মই কব খুজিছো যে সৰ্ব্বভাৰতীয় পৰিকল্পনাৰ ক্ষেত্ৰত যি আচঁনি লোৱা হৈছে তাৰ যোগেদি যদি আমি অসমৰ ভিতৰলৈ চাওঁ তেনেহলে মঙ্গলদৈ, উত্তৰ লক্ষীমপুৰ, কোকৰাঝাৰ, কৰিমগঞ্জ, হাইলাকান্দি আদি কৰি গোৱালপাৰা জিলাৰ নিচিনা কিছুমান ঠাই দেখা পাওঁ য'ত কি শিক্ষা, কি চিকিৎসা, কি কৃষি সকলোতে এটা দুৰৱস্থাই বিৰাজ কৰিছে। এই চতুৰ্থ পৰিকল্পনাত যেন চৰকাৰে এই দুৰৱস্থা বোৰ দূৰ কৰিবলৈ চেষ্টা কৰে।

মই আৰু এটা কথা কওঁ। এম, পি, শ্ৰীধৰণীধৰ বসুমতাৰীৰ নেতৃত্বত

এটা পাৰ্লিয়ামেণ্টৰী কমিটিৰ দল আহিছিল। অনুসূচিত জাতি আৰু জনজাতিয়ে পোৱা সা-সুবিধাৰ অনুসন্ধান কৰিবলৈ। সেই কমিটিৰ লগত ঘূৰি মই দেখা পাইছিলো যে আমাৰ এই লোক সকল উপকৃত হোৱা নাই। মাটি-বাৰী ক্ষেত্ৰত, চাকৰীৰ ক্ষেত্ৰত তেওঁলোকৰ অৱস্থা দেখিলে দুঃখ লগা।

যোৰহাট মহকুমাৰ ১৯০০ চাকৰিয়ালৰ ভিতৰত এজনো Scheduled Caste ৰ মানুহ নাই।

উপাধ্যক্ষ মহোদয়, ৬ এপ্ৰিলৰ u/Q No. 24 (d) ৰ যোগেদি শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই পঞ্চায়ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তেখেতে Total Number of B.D.O. কিমান বুলি সোধাত ১৩৮ জন বুলি কলে। তাৰ ভিতৰত Scheduled Tribe ৰ ৩৩ জন আৰু Scheduled Caste ৰ ১ জন আছে। ইয়াতকৈ আৰু ডাঙৰ দুখৰ কথা কিবা থাকিব পাৰেনে ?

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে চৰকাৰী চাকৰীৰ বাবে যিটো Reserve quota আছে তাত ভৈয়ামৰ জনজাতিৰ বাবে শতকৰা ১০ ভাগ, পৰ্ব্বতীয়া জনজাতিৰ বাবে শতকৰা ১২ ভাগ, আৰু Scheduled Caste ৰ বাবে শতকৰা ৭ ভাগ ৰাখিছে। এই ১৩৮ জনৰ ভিতৰত Scheduled Tribe ৰ মানুহে একো নাজানে বুলি ধৰিছে। Scheduled Caste ৰ ১০ জনৰ ভিতৰত এজনেহে চাকৰী পাইছে। তাৰ দ্বাৰা চৰকাৰে প্ৰমাণ কৰিছে যে এজনহে মাত্ৰ Graduate লোক আছে। কিন্তু মই কব পাৰো graduate নালাগে M.A. ৰো অভাৱ হোৱা নাই। পাছত বাজেট বক্তৃতাত মই এই কথা ভালকৈ কহিয়াই কম। অনুসূচীত জাতি আৰু জনজাতিৰ চাকৰীৰ বাবে যি reserve quota ৰাখিছে, সেই মতে কিয় চাকৰী দিয়া হোৱা নাই। তাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু মই যি কেইটা প্ৰশ্নৰ অৱতাৰণা কৰিছো সেই কেইটাৰ প্ৰতি চৰকাৰে গভীৰভাবে মনোনিবেশ কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Narayan Chandra Bhuyan—মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বৰ্ত্তমান অসমৰ পৰিস্থিতিৰ এটা সংক্ষেপ বিৱৰণ ডাঙিধ ৰা হৈছে।

সৰ্ব্বপ্ৰথম কথা হৈছে, আমাৰ ৰাজ্যখনৰ নিৰাপত্তা আৰু শৃঙ্খলা কেনেকৈ অটুত ৰাখিব পাৰি। আমাৰ ৰাজ্যৰ পৰিস্থিতি, আইন-শৃঙ্খলা আৰু নিৰা-

পত্তাৰ আজি বিশেষ ভাবে মন কৰিবলগীয়া বিষয় হৈ পৰিছে। আমাৰ সীমান্তত আজি যি বেদখল চলিছে সেইটো চৰকাৰ তথা অসমৰ ৰাইজৰ পক্ষে বৰ চিন্তাৰ বিষয় হৈ পৰিছে।

ক্রমান্বয়ে অসমৰ বুকুৰ পৰা এখন এখনকৈ বহুখন ৰাজ্য আঁতৰি গ'ল। আমাৰ বাবে ই সৌভাগ্যৰ কথা হওক বা দুৰ্ভাগ্যৰে কথা হওক যোৱা কালি মেঘালয় স্থাপিত হ'ল। আজি অসমৰ যি ৰাজনৈতিক অৱস্থা হৈছে সেই বোৰ দেখি-শুনি অসমৰ ৰাইজৰ মনোভাব বিৰূপ হৈ পৰিছে। মেঘালয় স্থাপন হোৱাৰ পাছত যাতে অসমৰ অৱস্থা শোচনীয় নহয় তাৰ বাবে সন্তোষজনক ব্যৱস্থা ৰাখিব লাগিব। দৰিদ্ৰতা হৈছে আমাৰ দেশৰ আটাইতকৈ গুৰুত্বপূর্ণ কথা। আমাৰ দেশৰ দৰিদ্ৰতা দূৰ কৰিবৰ বাবে বিভিন্ন আঁচনি এই পৰিকল্পনাত লৈছে, যদিও সি কাৰ্য্যকৰী হোৱা নাই।

সমাজৰ তলখাপত পৰি থকা মানুহক উন্নত স্তৰলৈ অনাৰ কোনো আঁচনি আজিলৈ ভালকৈ কাৰ্য্যকৰী কৰিব পৰা নাই। আমাৰ সমাজত আজিও লিখিব পঢ়িব নজনা মানুহ বহুত আছে। এই অৱস্থাৰ দূৰীকৰণৰ বাবে যি আচঁনিৰ কথা আমি ভাবিছো আৰু চৰকাৰক নির্দ্দেশ দিছো সেইবিলাক আচঁনি হৈছে; কিন্তু আচঁনি মতে কাম কৰিব পৰা নাই। সেই আচঁনিবোৰ বাস্তৱত পৰিণত কৰিবৰ বাবে Employment Exchange ৰ দৰে পঞ্চায়ত এলেকা বোৰতো তেনে ব্যৱস্থা ৰাখিব লাগে যাতে তাৰ জৰিয়তে গাঁৱৰ মানুহে চাকৰীৰ খবৰ পাই আৰু সেইমতে দৰ্খাস্ত কৰিব পাৰে। পঞ্চায়ত বিলাকক কাৰ্য্যকৰী ভাবে আগবাঢ়ি যাবলৈ যদি সৰ্ব্বতোপ্রকাৰৰ সুবিধা দিব পৰা নহয়, তেনেহলে সমাজবাদৰ কথা কলেও একো কাম নহয়।

সমাজৰ শিক্ষিত, মুষ্টিমেয় কেইজন মান মানুহে সুবিধা গ্ৰহণ কৰিছে, কিন্তু অনুসূচীত জাতি আৰু জন জাতিৰ মানুহে একে সুবিধা গ্ৰহণ কৰিব পৰা নাই। সমাজবাদ লাগে বুলি কাগজে-পত্ৰই প্ৰচাৰ হলেই গৰীব জনসাধাৰণে একো সুবিধা গ্ৰহণ কৰিবলৈ নাপায়। কিন্তু গৰীব জনসাধাৰণে কেনেকৈ সুবিধা পাব। তেওঁলোকক সুবিধা দিবৰ কাৰণে যি কাৰ্য্যকৰী বৱ্যস্থা কৰিব লাগে তাৰ কোনো ব্যৱস্থা কৰা নাই। সেই কাৰণে মই কওঁ যে, আমাৰ অৰ্থনৈতিক অৱস্থা দূৰীকৰণৰ কাৰণে যদি বিশেষ ভাবে মনোযোগ নিদিয়ে বা কাৰ্য্যকৰী ব্যৱস্থা নলয় তেনেহলে গৰীব জনসাধাৰণক সহায় কৰা নহব।

আজি আমাৰ গোটেই ভাৰতবৰ্ষতে যি অৱস্থা চলিছে সেইটোৰ পৰা মুক্ত

হবলৈ এতিয়াই চেষ্টা কৰাটো উচিত হব। আজি আমাৰ গোটেই ভাৰতবৰ্ষতে লটাৰী খেল চলিছে। সেইটোৰ পৰা আমাৰ কিছুমান মানুহ নিষ্কৰ্মা হবলৈ আৰম্ভ কৰিছে। আৰু এই যি তীৰ খেল চলিছে, ই গাৱে-ভূঞে সকলোতে চাতি পেলাইছে। এই তীৰ খেলে আনকি আমাৰ ছাত্ৰসকলোকো ধৰিছেগৈ। আনকি আমাৰ জামুগুৰি, চতিয়া, আদি অঞ্চলতো তীৰ খেলৰ যি প্ৰভাৱ তাক দেখিলে আপুনিও আচৰিত্ত হব। গধূলি ৫/৬ বজাত মানুহৰ মুখে মুখে তীৰ খেলৰ কথাই শুনিবলৈ পোৱা হয়। এই তীৰ খেল যদি অচিৰে বন্ধ নকৰে তেতিয়াহলে দেশৰ মানুহৰ মানষিক পৰিবৰ্ত্তন হৈ অৰ্থনৈতিক অৱস্থা বেয়াৰ ফালে যাব। আজি বহুতো পৰিয়াল তীৰত টকা গৈ সৰ্ব্বস্রান্ত হৈছে। আজি এটা লটাৰীৰ টিকতত ১লাখ ১।। লাখ বা ৫০ হাজাৰ টকা পোৱাৰ আশাতে মানুহে লটাৰীৰ মনোভাৱ পোষন কৰিছে। এই কম আয়াসতে বেছি টকা পোৱাৰ যি ভাৱ এইটোৱে মানুহক লটাৰী মুখী বা তীৰখেল মুখী কৰি তুলিছে। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে, এই লটাৰীকেই বোলক বা তীৰেই বোলক এই বিলাক অচিৰে বন্ধ কৰিব লাগে। আজি যে ইয়াৰ পৰা ৪/৫ লাখ টকা লাভ হৈছে সেইটো সঁচা কিন্তু ইয়াৰ পৰা যে, আমাৰ ছাত্ৰ-ছাত্ৰীকে আৰম্ভ কৰি বহুতো লোকহে ক্ষতিগ্ৰস্ত হৈছে, তাক নুই কৰিব নোৱাৰি।

আমাৰ জামুগুৰি অঞ্চলত এদিন গধুলি ৭ বজাত এজন ছাত্ৰই তীৰৰ টিকত কিনিছিল। মই তেওঁক সোধাত তেওঁ কলে যে আমাৰ শিক্ষকেই তীৰৰ টিকট কিনে—আমি আকৌ কিয় নিকিনিম। আজি বাস্তৱ ক্ষেত্ৰত আমি এই অৱস্থাই দেখিছো। আজি এই দৃষ্টিভংগী ললে আমাৰ অৰ্থনৈতিক উন্নয়ন কৰা নহব। আজি আমাৰ বাইজৰ ফালৰ পৰা, পঞ্চায়তৰ ফালৰ পৰা আৰু আমাব চৰকাৰব ফালৰ পৰা এই অৱস্থাটো দূৰ কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আজি যদি এই বিষয়ত ভাল ব্যৱস্থা গ্ৰহণ নকৰে তেনেহলে আমাৰ অৰ্থনৈতিক উন্নয়ন নহব।

তাৰ পাচত আমাৰ কুটীৰ শিল্পৰ ক্ষেত্ৰত আমি আমাৰ মানুহক কাৰ্য্যকৰী ভাৱে কিছুমান আঁচনি দিব লাগে। আমি আমাৰ মানুহক পৰিশ্ৰম কৰি লবৰ কাৰণে আৰু মানুহক শিকাবলৈ কাৰ্য্যকৰী ব্যৱস্থা কৰিবৰ কাৰণে মই খাদী বৰ্ডক দৃষ্টি আকৰ্ষণ কৰিছো। আজি আমাৰ প্ৰায়বোৰ গাৱঁতে খাদী বৰ্ডৰ জৰীয়তে এই বিলাক প্ৰচাৰ কৰিবলৈ ব্যৱস্থা কৰিব লাগে।

ফলত তাৰ পৰা কিছুমান উপাৰ্জনৰ ৰাস্তা ওলাব পাৰে বুলি আশা ৰাখিছো।

ইয়াৰ পাচত আমাৰ দেশৰ প্ৰধান সমস্যা হৈছে মাটি সমস্যা। এই মাটি সমস্যাত চৰকাৰৰ ফালৰ পৰা যি পদ্ধতি লৈছে যে, প্ৰত্যেক পৰিয়ালকে ৫ বিঘাকৈ মাটি দিব লাগিব। কিন্তু এটা পৰিয়ালৰ কাৰণে এই মাটি যথেষ্ট নহয়। অতি কমেও এটা পৰিয়াল চলিবলৈ হলে ১২ বিঘা মাটি দিব লাগিব। সেই কাৰণে মাটি নীতিটো খৰতকীয়া ভাৱে গ্ৰহণ কৰিব লাগে। মাটি পট্টন যাতে দিঘলীয়া নহয় আৰু যাতে সেইটো খুব কম সময়ৰ ভিতৰতে কৰি মাটিহীন মানুহক নিয়মিতভাৱে মাটি দিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ তাৰ দ্বাৰাই নিবনুৱা সমস্যাৰো কিছু সমাধান হব। আজি সম নীতিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি যদি সমাজত দুজন মানুহ ধনী হলেই প্ৰথম দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি হব নোৱাৰে। আজি পৰিয়ালে প্ৰতি ৫ বিঘাকৈ মাটি দিলেই এখন দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি হব নোৱাৰে। যদি পৰিয়ালে প্ৰতি ১২ বিঘাকৈ মাটি দিলেহে অন্ততঃ পৰিয়াল বিলাক স্বাৱলম্বী হব পাৰে।

সেইকাৰণে মই আশা ৰাখিছো—আমাৰ চৰকাৰে আমাৰ ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি কৰিবলৈ ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Mahidhar Pegu—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই বিগত বছৰটোৰ খটিয়ান কিঞ্চিৎ পৰ্য্যালোচনা কৰি আগন্তুক বছৰটোৰ কাৰ্য্যক্ৰম সম্পৰ্কে তেখেতৰ ভাষণৰ যোগেদি এই সদনত দাঙি ধৰিছে। আৰম্ভনিতে তেখেতৰ এটা কথা অনুভৱ কৰিছো-সেইটো হৈছে অসমৰ বুৰঞ্জীত এটা নতুন অধ্যায়ৰ এই প্ৰাক মুহূৰ্ত্তত আমি ইয়াত সমবেত হৈছোহি। সচাঁকৈয়ে বুৰঞ্জীৰ এক নতুন অধ্যায়ৰ সূচনা হৈছে; অকল অসমতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতে বিশেষকৈ নতুন দিল্লীত কিন্তু তেখেতৰ ভাষণ শুনি আৰু পঢ়ি এইটো অনুভৱ হৈছে যে ইয়াৰ পৰা এইটো হে ঠাৱৰ কৰিব পাৰি যে তেখেতৰ বুৰঞ্জী অধ্যায়তো পৰিৱৰ্ত্তন হৈছে, কালৰ গতি যদিও বা অইন ফালে ধাবিত হৈছে- কিন্তু তেখেতৰ গতানুগতিক ভাষণৰ হ'লে কোনো লৰচৰ নেদেখিলো।

বিগত বছৰটোৰ ৰাজ্যপালৰ ভাষণ এডোখৰী নিপুণ হাঁতৰ শব্দৰ গাথনি আৰু বাক্যৰ সমষ্টিৰে ৰাজনৈতিক ৰচনাৰ বাহিৰে কিবা এটা যে নতুনত্ব আছে সেইটো কব নোৱাৰি।

আজি মই এই কাৰণেই হতাশ হৈছো যে "মহাজনো যে নো গত স পন্থা" গতিকে আগৰ যি সকলে যেনে ভাৱে কৰিছে তেখেতেও তেনেই কৰিব। ১৪০ বছৰ বয়সীয়া বৃটিছৰ সাম্ৰাজ্যৰ মানচেষ্টাৰৰ শাসনৰ চোলাটোত টাপলী ইমান বেছি হ'ল যে প্ৰকৃত পক্ষে সেই শাসনৰ চোলাটোত অতীজৰ চোলা হৈ থকা নাই। সেই কানিৰ চোলাটো আজিৰ টাপলিৰ চোলা হৈ পৰিল। আজিৰ ৰাজ্যপালেও সেই টাপলীৰ চোলাটোত আৰু টাপলী মাৰি লৈছে। নতুন দিল্লীত বুৰঞ্জীৰ এক নতুন অধ্যায়ৰ সূচনা হৈছে। আনকি প্ৰধান-মন্ত্ৰীয়েও Manchaster ৰ j cket এৰি Ahmed বাদৰ Blowz লবলৈ বিচাৰিছে কিন্তু আমি তেখেতৰ ভাষণত কোনো নতুন বস্তু বিচাৰি নাপালো।

এনেস্থলত আমি কিবা নতুন বস্তু একো বিচাৰি নোপোৱাৰ কাৰণে এন্ধাৰত খেপিয়াব লগা হোৱাটো দুৰ্ভাগ্যৰ কথা। এই বিষয় কেইটা সদনত উত্থাপন কৰিছো যাতে মোৰ ধাৰণাৰ যথাৰ্থতা প্ৰমানিত হব বুলি ভাবিয়েই। তেখেতে অসমীয়াত ভাষণ দিয়াৰ বিশেষত্ব ওপৰত উল্লেখ কৰিছে। এই আন্দোলনৰ ফলত সৃষ্টি হোৱা উত্তেজনাৰ কাৰণে চেপ্তেম্বৰ মাহৰ ২১ তাৰিখে আৰম্ভ হবলগীয়া প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল কৰিবলগীয়া হোৱাটো পৰিতাপৰ কথা"। এইটোত মই একমত হব নোৱাৰিলো। কাৰণ এই আন্দোলনৰ সুদীৰ্ঘ হিচাবে শান্তিপূৰ্ণ ভাৱে হৈ গৈছে আৰু এই আন্দোলন প্ৰান্তীয় এটা ন্যাৰ্য্য দাবীৰ আন্দোলন। এই খিনিতে তেখেতে কৈছে যে এই আন্দোলনৰ কাৰণে "এই পষেক জোৰা শান্তিপূৰ্ণ সত্যাগ্ৰহত ৰাজ্যখনৰ সকলো ঠাইতে বৃহৎ সংখ্যক সত্যাগ্ৰহী গ্ৰেপ্তাৰ হবলৈ আগবাঢ়ি আহে"। এনেস্থলত কিয় প্ৰধানমন্ত্ৰীয়ে তেখেতৰ অসম ভ্ৰমণ বাতিল কৰিবলগা হ'ল ৰহস্যাবৃত কথা বুলি অনুভৱ কৰো। তেখেত অহা হলে আৰু অধিক সোনকালে বুজাপৰালৈ আহিলেহেঁতেন আৰু তেখেতে এটা কথা ৬ পৃষ্ঠাত কৈছে "আমাৰ ৰাজত অতিৰিক্ত এক নিযুত টন শোধন ক্ষমতা সৃষ্টি কৰা হব বুলি ঘোষণা কৰি কেন্দ্ৰীয় চৰকাৰ প্ৰশংসাভাজন হৈছে'। এই খিনিত এনেকৈ কোৱা উচিত পৰিস্কাৰকৈ কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ নৈতিক দায়িত্ব আংশিক ভাৱে হলেও পালন কৰিছে। তাৰ পিচত বহু দিনৰ পৰা মাত্ৰ কাৰখানা গঢ়াৰ কথা আগতে শুনি আহিছিলো, কাছাৰ জিলাত গঢ়িব বুলি। প্ৰথমতে আমাৰ অসমত বাহগছ শোষণ হৈ যাব মাত্ৰ কাৰখানা কি হব ঠিক নাই। যোগীঘোপাৰ কথা উল্লেখ কৰি তাতেই স্থাপন কৰি দিয়াই ভাল বুলি শান্তনা

দিছিল। আকৌ কব খুজিছো "আহক বাৰিষা কাটক পাত বৈ যা ভিনাকি খাই যা ভাত"।

তাৰ পিচত বিজুলীশক্তিৰ কথালৈ আহো। অসমত গ্ৰামবিদ্যুৎৰ যে দৰকাৰ সেই কথা যোজনা কাগজে এবাৰ স্বীকাৰ কৰি গৈছে। আৰু স্বীকাৰ কৰিছে যদিও অসম প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ, শিল্পৰ ক্ষেত্ৰত অসম আটাইতকৈ পিচপৰা। তেনেস্থলতো গ্ৰামবিদ্যুৎতিকৰণৰ কোনো ব্যৱস্থা লোৱা দেখা নগল। উদাহৰণ স্বৰূপে কব পাৰি যে যোৱা বছৰ চিলঙত থকা গ্ৰামবিদ্যুৎ কাৰ্য্য-নিবাহিকাই তেখেতে নামৰূপ, মৰিয়নীৰ পৰা ব্ৰহ্মপুত্ৰ পাৰ কৰি উত্তৰ লক্ষীমপুৰলৈ বিজুলী শক্তি সম্প্ৰসাৰিত কৰিব লাগে বুলি কৈছিল। মোৰ আগত যোৰহাটৰ পৰা মাজুলী পাৰ কৰি নিয়াৰ কথা কৈছিল। কিন্তু পিচত দেখা গ'ল একোটো হৈ নুঠিল। নাঙল বিভ্ৰাটৰ কথা দোহাৰি লাভ নাই। বিশেষকৈ তেখেতে এটা কথা স্বীকাৰ কৰিছে আৰু নিৰ্ঘাট সত্য সেইটো হৈছে কৃষিপ্ৰধান অসম দেশৰ অৰ্থনীতি ঘাইকৈ কৃষিৰ ওপৰত নিৰ্ভৰ কৰিছে। কিন্তু পৰিতাপৰ কথা এই সম্পৰ্কত নিমাত থাকিল। কৃষকসকলৰ পুনৰ বাসনৰ কাৰণে কৃষি কৰ্ম্ম মাটিৰ ব্যৱস্থা কি কৰা হৈছে? সেই সম্পৰ্কত তেখেত নিমাত থাকিল আৰু তেখেতে ১৯৬৭-৬৮, ১৯৬৯-৭০ চনৰ কৃষিৰ যিটো উত্থান পটনৰ উল্লেখ কৰিছে" কৃষকসকলৰ দৃষ্টিভঙ্গি পৰিবৰ্ত্তন হোৱা বাবেই ই সম্ভৱ হৈছে। সাৰ আৰু অন্যান্য সা-সজুলিৰ বৰ্দ্ধিত ব্যৱহাৰ, শস্য প্ৰতিৰক্ষা ব্যৱস্থাৰ প্ৰতি বাঢ়ি অহা জনপ্ৰিয়তা আৰু উচ্চ উৎপাদনশীল সচৰ খেতি কৰা মাটিৰ পৰিমান ক্ৰমাগত ভাৱে বৃদ্ধি পোৱাৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে। দ্ৰুত গতিত জনসংখ্যা বঢ়াৰ কাৰণে আৰু বহিৰাগত সকলৰ সংখ্যা উভৈনদী হোৱাৰ কাৰণে কৃষিৰ উৎপাদন বাঢ়িব, কিন্তু এই উৎপাদনৰ পৰিমান চৰকাৰৰ প্ৰচেষ্টাত আৰু বহুত হোৱা উচিত আছিল। কিন্তু সেইটো লক্ষণ পৰিলক্ষিত হৈছে নে?

তেখেতে গৰু মহ, পশু পালন, মীন পৰ্যয় উন্নয়নৰ কথা কৈছে, কিন্তু কিমান গৰু-মহ, হাঁহ-কুকুৰা মহামাৰিত মৰিল তাৰ হিচাব নাই। তাৰ পিচত আৰু এটা গো-পালন কথা কৈছে। মই অনুভৱ কৰো গো পালনৰ ঠাইত গো-শোষণ হোৱা উচিত আছিল। তাৰ পিচত পঞ্চায়তীৰাজৰ কথালৈ আহোঁ। এই পঞ্চায়তীৰাজটো নিশকতীয়া হৈ আছে, তেওঁ বিলাকৰ কিছু আৰ্থিক স্বাবলম্বণৰ ব্যৱস্থা কৰিছে। কিন্তু সেই সম্পৰ্কত স্বাবলম্বিতা কেনেকৈ অৱলম্বণ কৰিব

তাৰ কোনো ইঙ্গিত নাই। এই সদনত পৰামৰ্শ দিয়ামতে আয় বিশিষ্ট জলাশয় বিলাক যিবিলাকৰ আয় একহেজাৰ টকাৰ তলত সেই বিলাকহে পঞ্চায়তক দিব কেৱল মাত্ৰ তত্ত্বাৱধান কৰিবৰ কাৰণে। এতিয়া পৰামৰ্শ দিব খুজিছো যে আঢ়েহাজাৰ টকাৰ জলাশয় বিলাকো চৰকাৰে পঞ্চায়তক সোধাই দিব লাগে।

উপাধ্যক্ষ মহোদয়, এটা কথা সকলোৱে বিশ্বাস কৰে যে কৃষি মৌলিক দেশত বানপানী নিয়ন্ত্ৰণ জাতীয় সমস্যা। এই বানপানী নিয়ন্ত্ৰণৰ কাৰণে, জলসিঞ্চনৰ কাৰণে যদিওবা ৰাজ্যপাল মহোদয়ে জলসিঞ্চনৰ ব্যৱস্থা সন্তোষ জনক বুলি অলপমান জনাইছে— কিন্তু কামত একোটোৱেই হোৱা নাই। বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত সকলোৱে আক্ষেপ প্ৰকাশ কৰিছে, আৰু অসম প্ৰদেশ প্ৰান্তীয় প্ৰদেশ, বিদেশীৰাষ্ট্ৰৰে পৰিবেষ্টিত সীমান্তৰ যোগাযোগ অতি কঠিন বহিৰাগতৰ সোঁত বৰ লাগিছে আদি নানা সমস্যা। কিন্তু এই বিলাকৰ কোনোটোকেই নৈতিক দায়িত্ব হিচাবে নকৰাটো আৰু বান নিয়ন্ত্ৰণৰ কাম স্থানীয় ভাৱে নোলোৱাটো বৰ পৰিতাপৰ বিষয়। বাহিৰা ৰাষ্ট্ৰৰ পৰা বহিৰাগতৰ সোঁত বন্ধ কৰাৰ কিছু আশ্বাস পালোহেতেন তেতিয়াও আমি বহুখিনি জীয়াই থকাৰ আশা কৰিব পাৰিলোহেতেন।

সেই কাৰণে মই পুনৰ দাবী কৰো অসমৰ সমস্যাবিলাক ভাৰতবৰ্ষৰ সমস্যা হিচাবে লৈ ইয়াৰ আশু সমাধানৰ ব্যৱস্থা অতি সোনকালে হাতত লব লাগে।

Shri A.N. Akram Hussain—অধ্যক্ষ মহোদয়, আমাৰ ভাৰতবৰ্ষ স্বাধীন হোৱাৰ লগে লগেই ভাৰত আৰু পাকিস্থান দুখণ্ডত বিভক্ত হ'ল। ভাৰত, পাকিস্থান বিভক্ত কৰিলে ব্ৰিটিছ চৰকাৰে—Divide and Rule Policy নীতিৰে। কিন্তু স্বাধীনতাৰ আজি ২২ বছৰৰ পাচত আমাৰ এই জাতীয় চৰকাৰে, গণ-তান্ত্ৰীক চৰকাৰে অসম খনক খণ্ড খণ্ড কৰিলে আৰু কৰিব বিচাৰিছে। জন-সাধাৰণৰ মনলৈ এটা অশান্তিৰ পৰিবেশ সৃষ্টি হৈছে। যাৰ ফলত আজি অসমীয়া জাতিটো জীয়াই থকাই এটা সমস্যা হৈ পৰিছে।

যোৱা কালি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে 'মেঘালয়া', ৰাজ্য উদ্বোধন কৰিলে। 'মেঘালয়া' ৰাজ্যৰ সৃষ্টি হ'ল। মেঘালয়া, ৰাজ্য হোৱাৰ কাৰণে আমি দুখ প্ৰকাশ নকৰো। তেওঁলোকে যাতে সুখ শান্তিত থাকিব পাৰে— দেশৰ উন্নতি, প্ৰগতি

অব্যাহত ৰাখিব পাৰে তাকেহে কামনা কৰো। 'মেঘালয়' হোৱাৰ কাৰণে তেখেতে তেখেতৰ ভাষণত সন্তুষ্টি প্ৰকাশ কৰিছে আৰু তাৰ লগতে তেখেতে লগতে আমিও আশা পোষণ কৰো যেন মেঘালয়া আৰু অসমৰ সম্পৰ্ক মধুৰ হৈ থাকে। কিন্তু অতি পৰিতাপৰ কথা যে আমাৰ এই স্বাধীন অসমতো জাতীয় চৰকাৰৰ অধীনতো Divide and Rule প্ৰযোজ্য হ'ল। এটা কণীৰ মাজত আন এটা কণী কেনেকৈ থাকিব পাৰে?

এতিয়া কথা হৈছে যে আমাৰ ৰাজধানী এতিয়া চিলঙত থকাৰ আৰু কোনো যুক্তি সংগত কাৰণ নাই। অসমীয়া ৰাইজৰ দাবী হৈছে যে চিলঙৰ পৰা অতি সোনকালে ৰাজধানী ভৈয়ামলৈ নমাই নিব লাগে। অতি দুখৰ কথা ৰাজ্যপালৰ ভাষণত এই কথাটো কিয় উল্লেখ কৰা নাই? মই চৰকাৰক সাৱধান কৰি দি কব খুজিছো যে অতি সোনকালে ৰাজধানী চিলঙৰ পৰা স্থানান্তৰ নকৰিলে চিলং চণ্ডিগড়ত পৰিণত হব। ইয়াত অসম আৰু মেঘালয়াৰ প্ৰশাসনীয় ব্যৱস্থা সুস্থিৰে থাকিব নোৱাৰে। গতিকেই মই দাবী কৰো অসমৰ ৰাজধানী অনতি পলমে ভৈয়ামলৈ স্থানান্তৰ কৰিব লাগে। তাকে নকৰিলে যি ভয়াবহ পৰিণতি হব তাৰ বাবে দায়ী হব লাগিব গাদিত থকা এই কংগ্ৰেছ চৰকাৰ।

ৰাজ্যপালৰ ভাষণত এটা কথা প্ৰকাশ নোপোৱাৰ কাৰণে আমি দুখ পাইছো। সেইটো কথা মোৰ বন্ধু মাননীয় শ্ৰীনকুল দাসেও কৈ গৈছে। সেইটো হৈছে উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলা দুখনে মেঘালয়াৰ লগত যোগ নিদি অসমৰ লগতে থকাৰ বাবে সন্মতি জনাইছে। কিন্তু দুখৰ বিষয় ৰাজ্যপালে এই উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ বাসী ভাই সকলক অসমৰ লগত থাকিব খোজাৰ কাৰণে এবাৰো অভিনন্দন নজনালে। ৰাজ্যপালে তেখেতৰ ভাষণত এই উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ বাসী সকলক অভিনন্দন নজনালে যদিও আমি তেখেত সকলক আমাৰ আন্তৰিক অভিনন্দন জনাইছো। অসমৰ লগতে সুখ-দুখ সমানে ভগাই ভাই-ভাই হিচাবে থাকিব খোজাত তেখেত সকলক স্বাগত জনাইছো।

আমাৰ ২য় তেল শোধনাগাৰৰ বিষয়ত সকলোৱে জানে যে আমাৰ অসমত যি ধৰণৰ সত্যাগ্ৰহ আন্দোলন হৈ গ'ল তেনে আন্দোলন ভাৰতৰ স্বাধীনতা বুৰঞ্জীতো কতো হোৱা নাই। তেনে এটা বুৰঞ্জী ৰচনা কৰিছে ২য় তেল-শোধনাগাৰ দাবী আন্দোলনে যোৱা September মাহত। ৰাজ্যপালৰ ভাষণত

উদ্যোগী কৰণৰ কথা কৈছে যদিও ২য় তেলশোধনাগাৰৰ বিষয়ে উল্লেখ কৰা নাই। এই ২য় তেলশোধনাগাৰ হবনে নহয় তাৰ কোনো নিশ্চয়তা দিয়া নাই। মাত্র তেখেতৰ চৰকাৰে চেষ্টা কৰি আছে বুলিয়েই সন্তুষ্টি লভিছে।

ৰাজ্যপালে তেখেতৰ ভাষণত আৰু এটা কথা উল্লেখ কৰিছে; সেইটো হৈছে "প্রধান মন্ত্রী শ্রীমতী ইন্দিৰা গান্ধীৰ অসম ভ্রমণ বাতিল। ২য় তেল-শোধনাগাৰৰ কাৰণে আন্দোলন হোৱাৰ কাৰণতে প্রধান মন্ত্রী অসমলৈ নাহিল।" আৰু তাৰ ফলতে অসম ২য় তেলশোধগানাৰৰ পৰা বঞ্চিত হবলগীয়া হ'ল নেকি? এইটো বৰ পৰিতাপৰ কথা। কংগ্রেছৰ আন্তঃকলহ প্রধান মন্ত্রীৰ অসম ভ্রমণ বাতিল হোৱাৰ বাবে দায়ী। সত্যাগ্রহ বা সত্যাগ্রহী সকল নহয়।

(খুব দীঘলীয়াকৈ বেল বজায়)

Mr. Deputy Speaker—মাননীয় সদস্যই নিজৰ আসন গ্রহণ কৰক—

Dr. Bhupen Hazarika—উপাধ্যক্ষ মহোদয় এই সদনত বহুত সদস্যই বহুত কথাই কৈ গৈছে মই সেই বিলাক পুনৰ কব নোখোজো। এটা কথা মই Indian Carbon Company এটা উদ্যোগ প্রতিষ্ঠান তাৰ ৬ হাজাৰৰো অধিক অংশ বিক্রি কৰিছে অথচ আমাৰ থলুৱা লোকৰ তাত স্থান নাই। য'ত অন্য বিলাকৰ ১০ লাখ পর্য্যন্ত টকা আছে তাত আমাৰ চৰকাৰৰ ১০ পইচাও নাই। এইবিলাক কথাৰ কোনো উল্লেখ নাই। আজি সংকীর্ণতা এৰিবৰ সময় হৈছে। Religion interest আদিৰ কথা এৰিব লাগিব। Oil India তো কিছুমান বস্তু তৈয়াৰ কৰা হয় কিন্তু সেইক্ষেত্রতো বহুত বস্তু বাহিৰৰ পৰা কিনিব লাগে। আমাৰ Production ৰ ওপৰত West Bengal Government এ ১০ লাখ টকা লাভ কৰে। ইয়াৰ কাৰণে আমাৰ চৰকাৰে টকা নাপায়।

আকৌ Green View Products ত প্রায় ডেড় লাখ টকাৰ আনাৰস নষ্ট হৈ গৈছে। এই কাম চন্দ্রপ্রসাদ শইকীয়াৰ হাতত থাকোতেই ভাল আছিল। Agro Industy নাইবা Industry বিভাগে M.L.A. পঠিয়াই কথাবিলাক ভালকৈ চাব লাগে। তেতিয়াহলেহে কামত কৃতকার্য্য হোৱাৰ আশা থাকে। Phisically Handicapept সকলৰ কাৰণে অর্থাৎ Deaf & Dumb নাইবা কুষ্ঠ ৰোগী সকলৰ কাৰণে ৩০০ একৰ মাটি লৈছে যদিও একো কাম হোৱা নাই। এই বিলাকলৈ চোকা নজৰ দিবলৈ মই দাবী জনালো।

তাৰ পাছত গুৱাহাটীৰ যিটো Blind স্কুল বা অন্ধ বিদ্যালয় আছে, সেই স্কুল খনৰ উন্নতি কৰিব লাগে! এই স্কুলখন এইদৰে পৰি আছে কিয় ? তাত বহিবলৈ বেঞ্চ্ নাই, চকি নাই আৰু বহুতো লাগতিয়াল সা-সজুলি নোহোৱাকৈ স্কুলখন চলি আছে। এই বিলাকলৈ চৰকাৰে চকু দিয়া নাই কিয় ? তাৰ চেক্ৰেটৰীজন আহি আমাৰ আগত Report দিছে। এই দুৰ্ভগীয়া লোক সকলক চৰকাৰে উপযুক্ত ব্যৱস্থাৰ পৰা বঞ্চিত কৰাটো উচিত হোৱা নাই। অন্যহাতে তাত কিছুমান টকা অযথা খৰছ কৰিছে। এই Deaf and Dumb স্কুলখন তাৰ চেক্ৰেটৰীহে চলাই আছে; কিন্তু তাত এতিয়ালৈকে ভাল Principal এজন ৰখা নাই কিয়? এই বিলাক কাৰ্য্যত চৰকাৰ অৱহেলিত হৈ থকাটো উচিত হোৱা নাই। গতিকে মই এই অন্ধ বিদ্যালয়ৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

তাৰ পাছত আমাৰ Science বিভাগটোত কি হৈছে? আজিলৈকে দেখোন নিমাত হৈ আছে। গুৱাহাটীৰ লাচিত নগৰত এজন Scientist কোনো এটা কাম নোহোৱাকৈ আছে। তাৰোপৰি বহুতো অসমীয়া ল'ৰাই আজি B.Sc., B.E. পাছ কৰি এনেয়ে পৰি আছে – কোনো কাম নাই, কাজ নাই। এনে ধৰণৰ এজন শিক্ষিত ল'ৰা কাম নোহোৱাৰ কাৰণে বলিয়াৰ নিচিনা হৈ পৰিছে আৰু তেওঁক এতিয়া তেজপুৰৰ পগলা ফাটেকত চিকিৎসা কৰি আছে। বৰ্ত্তমান তেওঁ পগলা ফাটেকৰ চিকিৎসাধীন।

Shri Mahendra Mohan Choudhury— তেওঁৰ নামটো কি ?

Dr. Bhupen Hazarika – মই এতিয়া নামটো কব খোজা নাই। দৰ্কাৰ হলে পাছত জনাম।

কিন্তু এই বিলাক বৰ দুখৰ কথা আৰু দেখি শুনি ভাল নেলাগে।

তাৰ পাছত ১৯৬৮ চনতে মাননীয় মুখ্য মন্ত্ৰী শ্ৰীচলিহাৰ সৈতে গুৰুত্বপূৰ্ণ ভাবে আলোচনা কৰি গুৱাহাটীৰ "কাহিলীপাৰাত" এটা Art gallery তৈয়াৰ কৰা হ'ল। কাহিলী পাৰাত থকা এই Studio টোৰ কথা ভাবিলে বৰ দুখ লাগে। মই M.L.A. হৈ অহাৰ পাছত স্বৰ্গীয় বিষ্ণুপ্ৰসাদ ৰাভা M.L.A. ডাঙৰীয়াৰ উপদেশানুক্ৰমে আৰু দুই চাৰিজন M.L.A. ৰ সৌজন্যত সেই Studio টো প্ৰতিষ্ঠা কৰা হ'ল। কিন্তু এতিয়াও তাৰ কৰিবলগীয়া বহুত কামেই বাকী থাকিল। গতিকে মোৰ প্ৰশ্ন হ'ল যে এই Studio

টোৰ কাম বিলাক Pending হৈ আছে কিয়? আৰু এইটো—যিটো মাত্ৰ অসমত এটাহে আছে—সেই Studio টোক কিয় সম্পূৰ্ণ নকৰি বস্তু বিলাক Damaged হবলৈ দিছে? মোক কেইজনমান M.L.A. শুধিছে যে কাম আৰম্ভ কৰি দিয়া নাই কিয়? এইটোৰ উত্তৰ মই তৎক্ষণাৎ কেনেকৈ দিওঁ। বোধকৰো আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীচলিহা ডাঙৰীয়া অস্বুস্থ অৱস্থাত থকাৰ কাৰণে Studio ৰ কাম বিলাকো সেই আগৰদৰেই আগৰ অৱস্থাতে আছে। এই Studio টো সম্পূৰ্ণ হলে ইয়াত নেফাও সহযোগ কৰিব, মেঘালয়াও সহযোগ কৰিব আৰু অসমৰ দাঁতি কাষৰীয়া দুই এটা ৰাজ্যও সহযোগ কৰাৰ কথা আছে। গতিকে এই Studio টোৰ কামবিলাক অতি সোনকালে সম্পূৰ্ণ কৰিবলৈ মই চৰকাৰক টানি অনুৰোধ কৰিলোঁ।

তাৰ পাছত অসমত য'ত Industry আছে, সেই বিলাকৰ কাম-কাজ ভালকৈ পৰিচালিত কৰিব লাগে। ভালকৈ পৰিচালিত নকৰাৰ কাৰণে আমাৰ অসমৰ Industry বিলাক নষ্ট হৈ গৈছে আৰু আমাৰ চৰকাৰৰ পুজিৰ পৰা লাখে লাখে টকা অযথা খৰচ হৈছে। কিন্তু কাম বিলাক আগবাঢ়ি যোৱাত লোকচান হলেও আমাৰ আপত্তি কৰিবলগীয়া একো নেথাকিব। লগতে মই এইটোও কওঁ যে আমাৰ ৰাজধানী স্থানান্তৰ কৰি ভৈয়ামলৈ নিব লাগে ইয়াত ৰখাৰ কোনো অৰ্থ নাই।

(সময় সংকেত)

শেষত কওঁ যে অসমত এই "তীৰ" খেলা বন্ধ কৰিব লাগে। কাৰণ এই তীৰ খেলাই গোটেই অসমৰ মানুহক ধ্বংস কৰি পেলাইছে। এইখিনিতে মই আৰু এটা কথা কওঁ যে এইটো বৰ Important কথা। ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপিত হোৱা ঠাইৰ পৰা ডিব্ৰুগড় চহৰখন চাৰিমাইল দূৰ। বহুত দিনৰ আগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবহন বিভাগৰ কৰ্ত্তৃপক্ষক ক'লে যে চহৰৰ পৰা বিশ্ববিদ্যালয়লৈ যোৱাৰ সুবিধাৰ্থে পৰিবহন বিভাগৰ বাছ দিব লাগে—বিভাগে জনালে যে তাত যাত্ৰীৰ সংখ্যা পৰ্য্যাপ্ত নোহোৱাৰ কাৰণে বিভাগৰ দুহেজাৰ টকা লোকচান হব যদি তাত বাছ দিয়া হয়। সেই দুহেজাৰ টকা যদি বিশ্ববিদ্যালয়ে নাইবা শিক্ষাবিভাগে পৰিবহন বিভাগক দিয়ে, তেতিয়াহলে বাছ দিয়াত কোনো আপত্তি নাই।

(সময় সঙ্কেত)

আৰু দুই মিনিট সময় দিব ছাৰ; দুই মিনিটত মই শেষ কৰিম। সেই মৰ্ম্মে ছাত্ৰ-ছাত্ৰী দ'ল এটা আহি ৰাজ্যিক শিক্ষা বিভাগৰ কৰ্তৃপক্ষ 'আহমদ' চাহাবক দেখা কৰাত তেখেতে কলে যে আমি বিশ্ববিদ্যালয়ক দুই লাখকৈ টকা দিওঁ। গতিকে এই দুহেজাৰ টকা বিশ্ববিদ্যালয়ে দিব। ছাত্ৰ-ছাত্ৰীৰ দলটোৱে ঘূৰি গৈ Vice-Chencellor অক কোৱাত তেখেতে কলে এনে আমাৰ টকাৰ অভাৱ, তাতে আকৌ দুহেজাৰ টকা Subsidy কেনেকৈ দিম। সিদিনা ছাত্ৰ-ছাত্ৰী সকলে মোৰ ওচৰলৈ কিয় আহিছে আৰু কৈছিল যে যদি বাছ নিদিয়ে তেনেহলে পৰিবহন বিভাগৰ বাছ বিলাক জ্বলাই দিম। এতিয়া মোৰ কথা হৈছে চৰকাৰে কোনো কোনো ক্ষেত্ৰত লাখ লাখ টকা এনেয়ে অপব্যয় কৰিছে, অথচ এই ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ কাৰণে দুহেজাৰ টকানো Subsidy দিব নোৱাঁৰেনে? তাকে নকৰি ছাত্ৰৰ বিপ্লৱ তৈয়াৰ কৰে কিয়? তাৰ পাছত হব গুলীয়া-গুলি, বাছ পুৰা আৰু তাৰ পাছত আমাৰ বিভাগীয় মন্ত্ৰী শ্ৰীপ্ৰবীন চৌধুৰী ডাঙৰীয়াৰ প্ৰাণৰ সংশয়। এনেকৈয়ে চৰকাৰে গোল-মাল কৰে কিয়?

অৱশেষত মই কওঁ যে ১৮ বছৰীয়া ল'ৰা ছোৱালী বিলাকক ভোটাধিকাৰ দিব লাগে। পৃথিবীৰ উন্নতিশীল দেশ বিলাকে এই চমু ব্যৱস্থা গ্ৰহণ কৰি উন্নতিৰ পথত সকলো ফালৰ পৰাই আগবাঢ়িছে। আমেৰিকা, ৰাছিয়া জাপান, ফ্ৰান্স, আদিত এই ব্যৱস্থাৰে কাম চলাই আছে। মই আজি বিধান সভাৰ সদস্য বুলিয়েই যে এইটো কথা কৈছোঁ সেইটো নহয়,—মই দেশৰ স্বাৰ্থৰ কাৰণে আৰু দেশৰ মঙ্গলৰ কাৰণেহে কৈছোঁ, ইমানকে কৈ মোৰ বক্তৃতা আজিলৈ সামৰণি মাৰি মই মোৰ আসন গ্ৰহণ কৰিলোঁ।

Mr. Deputy Speaker—মাননীয় সদস্যাই ঠিক সময় ১১.৩০ হোৱাৰ লগে লগে সামৰণি মাৰিব লাগিব।

Shri Bhadreswar Gogoi— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণটো শুনি মই সন্তুষ্ট হব পৰা নাই। এই কথা মাননীয় সদস্য সকলেও কৈছে যে ৰাজ্যপালৰ ভাষণত যিবিলাক কথা আলোচনা কৰিছে আৰু যি বিলাক সমস্যাৰ উদ্‌গাটন কৰিছে, সেই বিলাকত কোনেও সন্তুষ্ট হব নোৱাৰে। কাৰণ তেখেতে হৈ যোৱা বছৰৰ কথা আৰু অহাবছৰৰ কোনো কাৰ্য্যাৱলীকেই

(সময় সঙ্কেত)

ছাৰ ভেনেহলে Continued হৈ থাকিব নেকি ?

Mr. Deputy Speaker— Order.... Order. Its 11.30 A.M. The House stands adjourned till 10.00 A.M. on Monday the 6th April 1970.

**Adjournment**

The Assembly then adjourned till 10 A.M. on Monday the 3rd April 1970.

Shillong,
**3-4-1970**

U. Tahbildar, Secretary,
The Legislative Assembly, Assam

—×—